# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 17-02-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

## HEADLINES

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আজি কোকৰাঝাৰত অনুষ্ঠিত হ'ব। বিটিচিৰ বিধায়িনী ভৱনত ৰাজ্যপালৰ অভিভাষণেৰে অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হ'ব। বিধানসভাৰ বিশেষ অধিৱেশনৰ বাবে কোকৰাঝাৰ নগৰ সজাই পৰাই তোলা হৈছে। বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মন্ত্ৰী-বিধায়কসকল আজি পুৱাই কোকৰাঝাৰলৈ ৰাওনা হৈছে। তেওঁলোকে বাছেৰে গৈ কোকৰাঝাৰত উপস্থিত হৈ অধিৱেশনত অংশগ্ৰহণ কৰিব। এই অধিৱেশনত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ প্ৰশাসনীয় ব্যৱস্থাৰ উন্নয়নকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰা হ'ব। উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ বাকী কেইদিনৰ কাৰ্যসূচী গুৱাহাটীৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটো বড়োলেণ্ডবাসী তথা অসমবাসীৰ বাবে ঐতিহাসিকভাৱে অতি গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি নেতৃবৰ্গ আজিৰ দিনটোক লৈ উৎফুল্লিত হৈ উঠিছে। ড০ শৰ্মাই অসমৰ ইতিহাসত আজিৰ দিনটো যুগান্তকাৰী হৈ ৰব বুলি মত প্ৰকাশ কৰিছে। উপেন্দ্ৰনাথ ব্ৰহ্মই কোকৰাঝাৰৰ পৰা বড়োলেণ্ড আন্দোলনৰ সূচনা কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে  অস্থিৰ অৱস্থাৰ বাবে ১৯৮৫ চনৰ পৰা এতিয়ালৈ কোকৰাঝাৰত ৰাজ্যখনৰ কোনো এগৰাকী মুখ্যমন্ত্ৰীয়েও ৰাজহুৱা সভাত অংশ লোৱাটো সম্ভৱ হৈ উঠা নাছিল।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন্যপ্ৰাণী সংৰক্ষণ আৰু সংৰক্ষণ কৰ্মীৰ দক্ষতা বিকাশৰ বাবে যোৱা ১১ ফেব্ৰুৱাৰীৰ পৰা আয়োজিত ছদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি পৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়, ইণ্টাৰনেচনেল বিগ কেট এলায়েঞ্চ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ উদ্যোগত আয়োজিত এই কৰ্মশালাত সমল ব্যক্তি হিচাপে ইণ্টাৰনেচনেল বিগ কেট এলায়েঞ্চৰ ড০ সত্যপ্ৰসাদ যাদৱ, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত প্ৰধান মুখ্য বন সংৰক্ষক এন কে বসু, হাড়গিলা সংৰক্ষণৰ বাবে কাম কৰি অহা গ্ৰীণ অস্কাৰ বিজেতা ড০ পূৰ্ণিমা দেৱী বৰ্মন, বিশ্ব প্ৰকৃতি নিধিৰ জ্যেষ্ঠ সমন্বয়ক অনুপম শৰ্মাৰ লগতে কেইবগৰাকীও বিশেষজ্ঞই অংশগ্ৰহণ কৰে। ইয়াৰ লগতে কঁহৰাত থকা বিভাগীয় হাতীৰ পিলখানাত ৰাজ্যিক বন্যপ্ৰাণী আয়োগৰ সদস্য কৌশিক বৰুৱা আৰু হস্তী বিশেষজ্ঞ পদ্মশ্ৰী সন্মানেৰে সন্মানিত পাৰ্বতী বৰুৱাই হাতী প্ৰতিপালন আৰু প্ৰকৃতিৰ বিষয়ে অৱগত কৰে। বিশ্বৰ ২৭ খন দেশৰ ৪৪ গৰাকী প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশ লৈছিল। ইৰাণ, আফ্ৰিকা, ভূটান, মালয়েছিয়া, শ্ৰীলংকা, কেনিয়াকে ধৰি দেশসমূহৰ প্ৰতিনিধিসকলে এই

ছদিন কাজিৰঙাত থাকি ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ ব্যৱস্থা, চোৰাংচিকাৰ ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, গৱেষণা পদ্ধতি, পানী ধৰি ৰখাৰ ব্যৱস্থাকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰে।

ooooo

অসম চলচ্চিত্ৰ সমাজৰ উদ্যোগত, ভাৰতীয় চলচ্চিত্ৰ মহাসংঘৰ সহযোগত আৰু ঠেঙাল-কছাৰী স্বায়ত্তশাসিত পৰিষদৰ আতিথ্যত অহা ১৪ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ তিতাবৰৰ ঐতিহাসিক ধলি পথাৰত তৃতীয় আন্তঃৰাষ্ট্ৰীয় গ্ৰাম্য চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। কালি এই মহোৎসৱৰ ঘাইখুটা স্থাপন অনুষ্ঠান সম্পন্ন হয়। এই মহোৎসৱৰ প্ৰতিদিনে কমেও ৮ খনকৈ চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি অনুষ্ঠানৰ অংশ হিচাপে চলচ্চিত্ৰ সম্পৰ্কীয় বিশেষ পাঠদান, কৰ্মশালাকে ধৰি কেইবাটাও কাৰ্যসূচী লোৱা হৈছে।

ooooo

কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ দপ্তৰৰ মন্ত্ৰী অন্নপূৰ্ণা দেৱী যাদৱে কালি ডিব্ৰুগড়ত মহিলা আৰু শিশু কল্যাণ সম্পৰ্কীয় বিভিন্ন আঁচনিসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। ডিব্ৰুগড় আৱৰ্ত ভৱনত অনুষ্ঠিত সংবাদমেলত মন্ত্ৰী শ্ৰীমতী যাদৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে উল্লেখ কৰে। ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে এই বাজেটে দেশৰ উন্নয়নৰ লক্ষ্য প্ৰাপ্তিত বিশেষ ভূমিকা ল'ব বুলি উল্লেখ কৰে। মহিলাসকলৰ সবলীকৰণৰ বাবে ৪ লাখ কোটিৰো অধিক টকা আৱণ্টন দিয়াৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে বাল্য বিবাহ ৰোধ কৰাকে কেইবাটাও ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। মহিলা আৰু শিশুৰ কল্যাণৰ বাবে সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ প্ৰয়োজন আছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ মহিলা সবলীকৰণ, পৰিপুষ্টি, শৌচাগাৰ নিৰ্মাণ আৰু আৰ্থ-সামাজিক বিকাশ সম্পৰ্কীয় চৰকাৰৰ বিভিন্ন পদক্ষেপৰ বিষয়ে আলোকপাত কৰে।

ooooo

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত কালিৰে পৰা ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত পাঁচদিনীয়া কাৰ্যসূচীৰে আয়োজিত কাৰ্বি যুৱ মহোৎসৱ কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীৰংহাঙে কাৰ্বি ভাষা সংস্কৃতি সংৰক্ষণৰ বাবে নতুন প্ৰজন্মক দায়িত্ব ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত অংশ লৈ সাংসদ অমৰ সিং টিছ'ৱে কাৰ্বি মহোৎসৱৰ ঐতিহ্যৰ বিষয়ে উল্লেখ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ এই মহোৎসৱে অগণন লোকক আকৰ্ষিত কৰে বুলি তেওঁ মন্তব্য কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছতে বিভিন্ন মঞ্চত কাৰ্বিসকলৰ পৰম্পৰাগত লোকনৃত্য, গীত-মাত প্ৰতিযোগিতা আয়োজিত হয়। উল্লেখযোগ্য যে উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে কাৰ্বি লোক সংস্কৃতিৰ আদিগুৰু ৰাংচিনা চাৰপ'ক আৰাধনা কৰা হয়। ইয়াৰ পাছতে বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ছয় সহস্ৰাধিক কাৰ্বি শিল্পী, ডেকা-গাভৰুৱে অংশগ্ৰহণ কৰে।

ooooo

সমাপ্ত